**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং ৭৫**
**উত্তৰ দিয়াৰ তাৰিখ-০৭-০৭-২০২৬**

**বিষয়ঃ অংগনবাড়ী কেন্দ্ৰৰ সংখ্যা**

**মোঃ নুৰুল ইছলাম, বিধায়ক**

**প্ৰশ্নঃ**

মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত সৰ্বমুঠ কিমানখন অংগনবাড়ী কেন্দ্ৰ আছে? ইয়াত নিয়োজিত হৈ থকা কৰ্মী আৰু সহায়িকাৰ মুঠ সংখ্যা কিমান? ইয়াৰে কিমানখন আদৰ্শ অংগনবাড়ী কেন্দ্ৰ হিচাপে উন্নীত কৰা হৈছে? জিলাভিত্তিক বিস্তৃত তালিকা দাখিল কৰিব।

(খ) কিমানজন শিশু আৰু মাতৃৰ বিপৰীতে একোখনকৈ অংগনবাড়ী কেন্দ্ৰ আৰু আদৰ্শ অংগনবাড়ী কেন্দ্ৰ থাকিব লাগে ? যিসমূহ গাঁও আৰু চুবাত পৰ্য্যাপ্ত শিশু আৰু মহিলা থকাৰ পিছতো এতিয়ালৈ অংগনবাড়ী কেন্দ্ৰ নাই, সেইসমূহ গাঁও অথবা চুবাত অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ ব্যৱস্থা কৰা হ'ব নে? (বিস্তৃত তথ্যসহ দিব।)

(গ) অংগনবাড়ী কেন্দ্ৰসমূহলৈ শিশু আৰু মাতৃৰ মঙ্গলৰ বাবে কি কি সামগ্ৰী, কি পৰিমাণে যোগান ধৰা হয়? এই যোগান নিয়মীয়া কৰাৰ ব্যৱস্থা নিশ্চিত কৰা হৈছে নে ? ( বিস্তৃত তালিকা দাখিল কৰিব। )

(ঘ) সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত এলেকাত সৰ্বমুঠ কিমানখন অংগনবাড়ী কেন্দ্ৰ আছে ? কোনসমূহ গাঁও অথবা চুবাত এতিয়াও অংগনবাড়ী কেন্দ্ৰৰ প্ৰয়োজনীয়তা আছে ? ইয়াৰ সবিশেষ তথ্য চৰকাৰৰ হাতত আছে নে? ( বিস্তৃত তথ্য দাখিল কৰিব। )

(ঙ) অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলক কি কি দায়িত্ব ন্যস্ত কৰা হয় ? তেওঁলোকৰ পাৰিতোষিক বৃদ্ধিৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'ব নে? ( বিস্তৃত তথ্যসহ দাখিল কৰিব । )

**উত্তৰঃ**

**মাননীয়া মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ মহোদয়াই উত্তৰ দিবঃ-**

(ক) অসমত বৰ্তমান মুঠ ৬২১৪২ টা অনুমোদিত অঙ্গনবাড়ী কেন্দ্ৰ আছে আৰু ৫৯৬০৮ গৰাকী অঙ্গনবাড়ী কৰ্মী আৰু ৫২৬৪৪ গৰাকী অঙ্গনবাড়ী সহায়িকা আছে। ইয়াৰে ৯০৫৪ টা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰলৈ উন্নীত কৰা হৈছে। জিলা ভিত্তিত বিস্তৃত তালিকা **পৰিশিষ্ট- 'ক'** সংলগ্ন কৰা হ'ল।

(খ) নিৰ্দ্দিষ্ট শিশু আৰু মাতৃৰ সংখ্যা ভিত্তিত অঙ্গনবাড়ী কেন্দ্ৰ স্থাপন কৰা নহয় । এখন গাঁও বা চুবুৰীৰ জনসংখ্যাৰ ভিত্তিত অঙ্গনবাড়ী কেন্দ্ৰ স্থাপন কৰা হয়। অঙ্গনবাড়ী কেন্দ্ৰ স্থাপন কৰা বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিষয় আৰু নতুন অঙ্গনবাড়ী কেন্দ্ৰ স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰপৰা বৰ্তমান কোনো নিৰ্দ্দেশনা নাই।

(গ) অঙ্গনবাড়ী কেন্দ্ৰসমূহৰ জৰিয়তে ৬ মাহৰ পৰা ৩ বছৰৰ শিশু আৰু গৰ্ভৱতী মহিলা আৰু প্ৰসূতি মাতৃসকলক ঘৰলৈ নিয়া খাদ্য আৰু ৩ বছৰৰ পৰা ৬ বছৰৰ শিশুসকলক গৰমকৈ ৰান্ধিখোৱা খাদ্য যোগান ধৰা হয়। ইয়াৰ উপৰিও পুঁজিৰ উপলব্ধতাৰ ওপৰত ভিত্তি কৰি ৩ৰ পৰা ৬ বছৰৰ শিশুৰবাবে প্ৰাক প্ৰাথমিক শিক্ষাৰ সামগ্ৰী যোগান ধৰা হয়।

(ঘ)অঙ্গনবাড়ী কেন্দ্ৰসমূহৰ তালিকা শিশু উন্নয়ন প্ৰকল্প হিচাপে উপলব্ধ।

(ঙ)অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকাসকলক শিশুক প্ৰাক-প্ৰাথমিক শিক্ষা দিয়া, প্ৰতিষেধক সেৱাৰ ব্যৱস্থা কৰা,স্বাস্থ্য পৰীক্ষা কৰোৱা আৰু পৰিপৰিপূৰক খাদ্য পৰিবেশন কৰা আৰু পৰিপুষ্টি আৰু স্বাস্থ্য শিক্ষাৰ বাবে যাৱতীয় সকলো ধৰণৰ কাম-কাজ কৰিবলৈ দায়িত্ব ন্যস্ত কৰা হৈছে।

অসম চৰকাৰে ২০২৫ চনৰ ১ অক্টোবৰৰ পৰা কাৰ্যকৰী হোৱাকৈ অঙ্গনবাড়ী কৰ্মীৰ বাবে মাহিলী ১৫০০ টকাকৈ আৰু অঙ্গনবাড়ী সহায়িকাৰ বাবে ৭৫০ টকাকৈ ৰাজ্যিক অনুদান বৃদ্ধি কৰে।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি **পৰিশিষ্ট- 'ক'** ৰ সৈতে বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

****************

পৰিশিষ্ট- 'ক'

## Districtwise list of Construction of Model AWC

| Sl. No. | District Name | Total No.s of Model AWCs sanctioned |
|---|---|---|
| 1 | Bajali | 180 |
| 2 | Baksa | 173 |
| 3 | Barpeta | 223 |
| 4 | Biswanath | 290 |
| 5 | Bongaigaon | 175 |
| 6 | Cachar | 429 |
| 7 | Charaideo | 185 |
| 8 | Chirang | 175 |
| 9 | Darrang | 270 |
| 10 | Dhemaji | 198 |
| 11 | Dhubri | 212 |
| 12 | Dibrugarh | 574 |
| 13 | Dima Hasao | 95 |
| 14 | Goalpara | 163 |
| 15 | Golaghat | 398 |
| 16 | Hailakandi | 127 |
| 17 | Hojai | 205 |
| 18 | Jorhat | 341 |
| 19 | Kamrup | 545 |
| 20 | Kamrup Metro | 210 |
| 21 | Karbi Anglong | 265 |
| 22 | Sribhumi | 326 |
| 23 | Kokrajhar | 250 |
| 24 | Lakhimpur | 328 |
| 25 | Majuli | 96 |
| 26 | Morigaon | 215 |
| 27 | Nagaon | 496 |
| 28 | Nalbari | 232 |
| 29 | Sibsagar | 274 |
| 30 | Sonitpur | 415 |
| 31 | South Salmara Mankachar | 55 |
| 32 | Tamulpur | 106 |
| 33 | Tinsukia | 472 |
| 34 | Udalguri | 255 |
| 35 | West Karbi Anglong | 101 |
| | **Total** | **9054** |